**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-JUNE-2026
**Time :** 12:05 HRS

***Assamese 12.05 PM Bulletin***
————————————————

oooooo

# HEADLINES

১। দেশ ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতবৰ্ষ গঢ়াৰ সপোন বাস্তবায়িত কৰাৰ দিশ অগ্ৰসৰ হোৱা বুলি কেন্দ্ৰীয় মন্ত্ৰী জুৱেল ওৰামৰ ডিব্ৰুগড়ত প্ৰকাশ।
২। কাছাৰ জিলা জিৰিঘাটত প্ৰশাসনৰ উচ্ছেদ অভিযান।
৩। আজি বিশ্ব ৰক্তদাতা দিৱস পালন। মুখ্যমন্ত্ৰীৰ অনুজ্ঞাপ্ৰাপ্ত কেন্দ্ৰ আৰু চৰকাৰী কেন্দ্ৰৰ পৰাহে ৰক্ত গ্ৰহণ কৰিবলৈ আহ্বান। ***আৰু***
৪। মহিলাৰ বিশ্বকাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত আজি ভাৰত আৰু পাকিস্তানৰ খেল।

oooooo

দেশ ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতবৰ্ষ গঢ়াৰ সপোন বাস্তবায়িত কৰাৰ দিশ অগ্ৰসৰ হোৱা বুলি কেন্দ্ৰীয় জনজাতিয় পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰামে প্ৰকাশ কৰে। ডিব্ৰুগড়ত কালি প্ৰবুদ্ধ নাগৰিক সন্মিলনত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰে এই সন্দৰ্ভত বিষদ পৰিকল্পনা যুগুটাই উলিয়াইছে আৰু ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰিত কৰাৰ উদ্দেশ্যে ভালেমান উদ্যম আৰম্ভ কৰিছে। শ্ৰী ওৰামে কয়, যে দেশত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত অভূতপূৰ্ব বিকাশ হৈছে। মোদী চৰকাৰে বিগত ১২ বছৰত সুশাসন, আন্তঃগাঁথনি উন্নয়ন, অৰ্থনৈতিক প্ৰগতি আৰু জন কল্যাণত গুৰুত্ব আৰোপ কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।oooo

oooooo

কাছাৰ জিলা প্ৰশাসনে আজি জিৰিঘাটত উচ্ছেদ অভিযান চলায়। এই অভিযানৰ জৰিয়তে পদপথত অবৈধভাৱে স্থাপন কৰা দোকান -পোহাৰ উচ্ছেদ কৰা হৈছে। প্ৰশাসনে এসপ্তাহ পূৰ্বে সেই স্থানসমূহ খালী কৰাৰ বাবে জাননী জাৰি কৰিছিল।

(বাইট)

oooooo

ৰাজ্য চৰকাৰে ১৬ আগষ্টৰ পৰা গুৱাহাটীত পদপথৰ ব্যৱসায়সকলৰ সৰ্বাত্মক জৰীপ চলাব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সদৰি কৰিছে। গুৱাহাটীৰ বাজপেয়ী ভৱনত কালি সাংবাদিকৰ সৈতে মত বিনিময় অনুষ্ঠানত ড০ শৰ্মাই কয়, যে এই জৰীপৰ সৰু দোকান ক্ষুদ্ৰ প্ৰতিষ্ঠানকে ধৰি পদপথৰ সকলো ব্যৱসায়ীক সামৰি লোৱা হ'ব। ইয়াৰ জৰিয়তে গুৱাহাটী মহানগৰীত কৰ্মসংস্থাপন আৰু আয়ৰ সুযোগ সম্পৰ্কে জানিব পৰা যাব বুলি তেওঁ মন্তব্য কৰে।

**(বাইট ঃ ড০ শৰ্মা)**

মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে জৰীপৰ জৰিয়তে গুৱাহাটী মহানগৰীত পদপথৰ ব্যৱসায়ৰ সৈতে জড়িতসকলৰ এখন স্পষ্ট ছবি পৰিস্ফূত হ'ব আৰু তেওঁলোক কোন অঞ্চলৰ পৰা মহানগৰীলৈ আহিছে সেয়াও জানিব পৰা যাব। তেওঁ কয়, যে এই জৰীপে অসমীয়া যুৱক-যুৱতীসকলৰ চকু মুকলি কৰিব আৰু তেওঁলোকক ব্যৱসায়, বাণিজ্য আৰু স্বনিয়োজনৰ ক্ষেত্ৰৰ ব্যাপক অৰ্থনৈতিক সুযোগ সম্পৰ্কে বুজাত সহায় কৰিব।০০০

০০০০০০

দেশৰ পাহাৰীয়া আৰু দুৰ্গম অঞ্চলত ডাকযোগে সামগ্ৰী সৰবৰাহত সুবিধা হোৱাকৈ কেন্দ্ৰীয় চৰকাৰে বিশেষ সেৱাৰ শুভাৰম্ভ কৰিছে। কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্দিয়াই হিমাচল প্ৰদেশত এই সেৱাৰ শুভাৰম্ভ কৰে। এই অনুসৰি এতিয়াৰে পৰা ড্ৰোনৰ সহায়ত পাহাৰীয়া আৰু দুৰ্গম অঞ্চললৈ ডাক সামগ্ৰী সৰবৰাহ কৰা হ'ব। এই সেৱা প্ৰথম পৰ্যায়ত ৰাজ্যখনৰ মাণ্ডিৰ মুখ্য ডাকঘৰ আৰু ৰেহৰধৰ শাখা ডাকঘৰৰ মাজত আৰম্ভ কৰা হৈছে।

যোগাযোগ মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি, অহা দুই-তিনি মাহৰ ভিতৰতে অসমৰ প্ৰায় ১৫০টা নিৰ্বাচিত পথতো এই অত্যাধুনিক সেৱা সম্প্ৰসাৰণ কৰা হ'ব। অসমৰ দৰে নদী মাতৃক আৰু চৰ-চাপৰি থকা অঞ্চলৰ বাবে এই প্ৰযুক্তি এটি মাইলৰ খুঁটি হিচাপে বিবেচিত হ'ব বুলি আশা কৰা হৈছে।

পৰম্পৰাগত পথত ১২ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰিবলৈ প্ৰয়োজন হোৱা প্ৰায় দুঘণ্টাৰ অধিক সময়ৰ পৰিৱৰ্তে ড্ৰোনৰ ব্যৱহাৰৰ ফলত এতিয়া মাত্ৰ ৭ মিনিটতে অতিক্ৰম কৰিব পৰা যাব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে গ্ৰামীণ ডাক সেৱকসকলৰ সৈতে হোৱা আলোচনাৰ সময়ত এই সেৱাৰ প্ৰয়োজনীয়তা সন্দৰ্ভত অৱগত হৈছিল।

০০০০০০

আজি বিশ্ব ৰক্তদাতা দিৱস পালন কৰা হৈছে। ৰক্তদানৰ প্ৰতি বিশ্বজুৰি সজাগতা সৃষ্টিৰ বাবে এই দিৱস পালন কৰা হয়। এইবাৰৰ এই দিৱসৰ বিষয় হৈছে– **মানৱতাৰ বাবে এটোপাল, ৰক্তদান কৰক, জীৱন ৰক্ষা কৰক**। অসমতো আজি বিভিন্ন স্বেচ্ছাসেৱী সংস্থাৰ উদ্যোগত বিশ্ব ৰক্তদাতা দিৱসৰ কাৰ্যসূচী লোৱা হৈছে। এই উপলক্ষে ৰক্তদান শিবিৰৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিশ্ব ৰক্তদাতা দিৱস উপলক্ষে সংবাদ মাধ্যমযোগে দিয়া এটা বাৰ্তাত জনসাধাৰণৰ সামূহিক স্বাস্থ্য উন্নত কৰাৰ ক্ষেত্ৰত ৰক্তদাতাসকলৰ অপৰিসীম ভূমিকাৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয়, যে স্বাস্থ্য খণ্ডত প্ৰয়োজন হোৱা পৰিশোধিত ৰক্ত কেৱল স্বেচ্ছামূলক ৰক্তদাতাসকলৰ জৰিয়তে পূৰণ কৰিব পাৰি। এই নিঃস্বাৰ্থ সেৱাৰ বাবে ৰক্তদাতাসকলৰ ওচৰত চিৰ কৃতজ্ঞ বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে অনুজ্ঞাপ্ৰাপ্ত ৰক্ত কেন্দ্ৰ আৰু চৰকাৰী ৰক্ত কেন্দ্ৰৰ পৰাহে ৰক্ত গ্ৰহণ কৰিবলৈ সকলোকে আহ্বান জনায়। ৰক্তদানৰ জৰিয়তে এখন সুস্থ সমাজ গঢ়াৰ বাবেও তেওঁ জনসাধাৰণক আহ্বান জনায়।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কমেও ৩৮ জন লোক বাহকজনিত ৰোগত আক্ৰান্ত হোৱাৰ পৰিপ্ৰেক্ষিতত স্বাস্থ্য বিভাগে ব্যাপক সজাগতা কাৰ্যসূচী গ্ৰহণ কৰিছে। জুন-জুলাই মাহত জাপানী এনকেফেলাইটিছ ৰোগৰ

সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি এই ৰোগৰ পৰা হাত সাৰি থকাৰ বাবে সজাগ হ'বলৈ স্বাস্থ্য বিভাগে জনসাধাৰণক আহ্বান জনাইছে। বিশেষ সূত্ৰ অনুসৰি ৰাজ্যত জাপানী এনকেফেলাইটিছ আৰু এনে ধৰণৰ লক্ষণযুক্ত ৰোগত আক্ৰান্ত হৈ চলিত বছৰত কমেও ৮ জন লোকৰ মৃত্যু হৈছে। ইয়াৰ ভিতৰত কামৰূপ আৰু লখিমপুৰত দুজনকৈ, বৰপেটা, কাছাৰ, যোৰহাট আৰু কামৰূপ মহানগৰত এজনকৈ লোকৰ মৃত্যু হৈছে। আনহাতে কামৰূপ মহানগৰ, বাক্সা, বৰপেটা, কাছাৰ, চৰাইদেউ, গোৱালপাৰা, হাইলাকান্দি, যোৰহাট আৰু কামৰূপত জাপানী এনকেফেলাইটিছ সদৃশ ৰোগত আক্ৰান্ত হৈ কেইবাজনো ৰোগ চিকিৎসাধীন হৈ আছে। এনেধৰণৰ ৰোগত ছয় শতাধিক লোক আক্ৰান্ত হৈছে বুলি স্বাস্থ্য বিভাগৰ সূত্ৰত প্ৰকাশ পাইছে।

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমে এই ৰোগৰ পৰা হাত সৰাৰ বাবে জনসাধাৰণক মহৰ প্ৰজনন হোৱা স্থানসমূহ পৰিষ্কাৰ কৰি ৰাখিবলৈ আহ্বান জনাইছে। তদুপৰি তীব্ৰ জ্বৰ, মূৰৰ বিষ, শৰীৰৰ অস্বাভাৱিক কঁপনি, কথা ক'বলৈ অসুবিধা পোৱা আৰু অচেতন হৈ পৰা লক্ষণ দেখা মাত্ৰেই চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হৈছে।

000000

শক্তিপীঠ কামাখ্যা দেৱালয়ত অহা ২২ জুনৰ পৰা অম্বুবাচী মেলা অনুষ্ঠিত হ'ব। দেৱালয়ৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে ২২ জুনৰ নিশা ৯ বাজি ৮ মিনিট ৪২ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হ'ব। প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰ দুৱাৰ ভক্তৰ বাবে বন্ধ কৰি দিয়া হ'ব। ২৩, ২৪ আৰু ২৫ জুনত কামাখ্যা মন্দিৰৰ দুৱাৰ সম্পূৰ্ণভাৱে বন্ধ থাকিব। ২৬ জুনৰ পুৱা অম্বুবাচীৰ নিবৃত্তিৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰি দিয়া হ'ব। প্ৰতিবছৰৰ দৰে এইবাৰো অম্বুবাচী উপলক্ষে নীলাচলত দেশ-বিদেশৰ ভক্তৰ সমাগম হৈছে।

000000

গোৱালপাৰা জিলা প্ৰশাসনে কালি প্ৰধানমন্ত্ৰী পথ দুৰ্ঘটনাৰ ভুক্তভোগীক চিকিৎসালয়ত ভৰ্তি আৰু নিশ্চিত চিকিৎসা আঁচনি চমুকৈ পি এম ৰাহাত সন্দৰ্ভত প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰে। জিলা উন্নয়ন আয়ুক্ত পৱন কুমাৰ বৰাই এই উপলক্ষে আয়োজিত বৈঠকত অধ্যক্ষতা কৰে। উল্লেখযোগ্য যে, পথ দুৰ্ঘটনাৰ বলি হোৱা লোকৰ বাবে নগদধন ৰহিত চিকিৎসা সুনিশ্চিত কৰাৰ উদ্দেশ্যে প্ৰণয়ন কৰা আঁচনিখনৰ অধীনত কেন্দ্ৰীয় চৰকাৰে দুৰ্ঘটনা সংঘটিত হোৱাৰ দিনৰ পৰা সাত দিনলৈকে ভুক্তভোগীৰ বাবে ডেৰ লাখ টকা চিকিৎসা ব্যয় বহন কৰে।

000000

অসমৰ ঈষাৰাণী বৰুৱাই এচিয়ান গেমছৰ বাবে কালি ঘোষণা কৰা ভাৰতীয় দলটোত স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। প্ৰতিভাবান খেলুৱৈগৰাকীয়ে ১৯ ছেপ্তেম্বৰৰ পৰা ৪ অক্টোবৰলৈ জাপানত হ'বলগীয়া প্ৰতিযোগিতাখনত ৰাজ্যৰ একমাত্ৰ খেলুৱৈ হিচাপে স্থান লাভ কৰিছে। দেশৰ আগশাৰীৰ বেডমিণ্টন খেলুৱৈ পি ভি সিন্ধু আৰু সাত্বিকসাইৰাজ ৰনকীৰেড্ডী আৰু ছিৰাগ চেট্টীৰ যুটীটোৱে প্ৰতিযোগিতাত ভাৰতীয় দলক নেতৃত্ব দিব।

000000

আইচিচি মহিলা টি-২০ ক্ৰিকেট বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি বাৰ্মিংহামৰ এজবেষ্টনত হবলগীয়া এখন খেলত ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ন হ'ব। খেলখন

ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত আৰম্ভ হ’ব। মহিলা টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত পাকিস্তানৰ বিৰুদ্ধে সদায় উন্নত প্ৰদৰ্শন কৰি অহা ভাৰতে শেহতীয়া **১৬**খন খেলৰ ভিতৰত **১৩**খনতে জয়লাভ কৰিছে।

ইপিনে, বিশ্বকাপৰ গ্ৰুপ-বি’ এখন খেলত কালি স্কটলেণ্ডে আয়াৰলেণ্ডক ৪০ ৰানত পৰাস্ত কৰে। স্কটলেণ্ডে মানচেষ্টাৰৰ অ’ল্ড ট্ৰেফ’ৰ্ডত অনুষ্ঠিত খেলখনত প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেট হেৰুৱাই **১৬১** ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত আয়াৰলেণ্ডে **১৯** অ'ভাৰ আৰু **১** বলত আটাইকেইটা উইকেট হেৰুৱাই **১২১** ৰানহে কৰিবলৈ সমৰ্থ হয়।

০০০০০০

**সমাপ্ত**